স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ৱকুৰবাৰ □ ৪ শাওণ ১৯৪৫ শক □ ২১ জুলাই ২০২৩ চন □ VOL-13 □ NO-136 □ FRIDAY 21 JULY 2023

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

D.H.S.K. College ... Estd-1945 Date ... Dibrugarh, Assam

## সুপ্ৰভাত

আজিৰ দিনটোতে—

৯৯ত গল্পকাৰ-ঔপন্যাসিক আৰ্নেষ্ট হেমিংৱেৰ জন্ম
৫৮ত ঔৰংজেৱৰ দিল্লী ৰাজপাতত আৰোহণ
৩১ত বেলজিয়াম ৰাষ্ট্ৰ গঠন
৮৩ত কলকাতাত ৰাজহুৱা ৰংগমঞ্চ ষ্টাৰ থিয়েটাৰ মুকলি
৯৫৪ত পৰ্তুগীজৰ হাতৰ পৰা দাদৰা মুক্ত
৯৬৩ত কাশী বিদ্যাপীঠক বিশ্ববিদ্যালয়লৈ উন্নীত

### কৰ্মশালা উদ্বোধন জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰৰ

# ডিব্ৰুগড়ত জ্যোতি সংগীতৰ দুদিনীয়া কৰ্মশালাৰ সামৰণি



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ জুলাই ঃ** ডিব্ৰুগড় সাহিত্য সভা আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত দুদিনীয়া জ্যোতি সংগীতৰ কৰ্মশালা সম্পন্ন হয়। জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰে উদ্বোধন কৰা, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত জ্যোতি সংগীতৰ কৰ্মশালাত দুয়োটা দিনতে প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহজনকভাৱে অংশগ্ৰহণ কৰে। যাদৱ গগৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰি কৰ্মশালাত অংশগ্ৰহণ কৰা সকলক উদ্দেশ্যি চমু বক্তব্য আগবঢ়ায়। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই আদৰণী ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহক আদৰণি জনোৱা লগতে অভিভাৱকসকলকো কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, লোক-সংস্কৃতিৰ সাধক জিতেন দাস, নৃত্যাংগন কলাএকেন্দ্ৰৰ সঞ্চালিকা ৰুবী গগৈ সন্দিকৈ, মেণ্ডোলিন বাদক মানৱ গগৈ উপস্থিত থাকে।কৰ্মশালাখনত মুখ্য প্ৰশিক্ষক সংগীত গুৰু ভুবন গগৈ, সহযোগী শিল্পী পূজা প্লাৱিতা পাত্ৰ, কাশ্মীৰা পাত্ৰ, ভাগৱী সোণোৱাল, ভাৱনা গগৈ, প্ৰজ্ঞা মঞ্জুৰী গগৈ, জিমি জিজ্ঞাসা বৰুৱা আৰু ৰাহুল গগৈয়ে সহযোগ কৰে। আনহাতে শেষৰ দিনালৈ কৰ্মশালাত অংশগ্ৰহণ কৰাসকলৰ জৰিয়তে এক সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়। লোক-সংস্কৃতিৰ সাধক জিতেন দাসে উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত শোণিত কুঁৱৰী দল, ৰূপালীম দল, জয়মতী দলসহ কেইবাটাও দলৰ সমৱেত সংগীত পৰিৱেশন আৰু জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত গীতত নৃত্য প্ৰদৰ্শন কৰে। সামৰণী অনুষ্ঠানত নৃত্যাংগন কলাকেন্দ্ৰৰ সঞ্চালিকা ৰুবী গগৈ সন্দিকৈ, মেণ্ডোলিন বাদক মানৱ গগৈ, বিশিষ্ট সমাজকৰ্মী ভুবনজ্যোতি বৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা জ্যোতি বৰগোহাঁই, প্ৰাক্তন অধ্যাপিকা ড° ৰুণুমা শৰ্মা, বিশিষ্ট কণ্ঠশিল্পী চন্দন পাঠক, সমাজকৰ্মী ৰঞ্জিত গগৈকে প্ৰমুখ্য কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰে। লেখিকা সন্থা ডিব্ৰুগড়ৰ সম্পাদিকা উদয়ন্তী হাজৰিকা, দয়াপ্ৰীতি গগৈ, যানী সোণোৱাল গোহাঁই, ৰশ্মিৰেখা গগৈ, পম্পীৰাণী সৌকাধৰা, পঞ্চি দাস, জুলি দত্তসহ কেইবাগৰাকী অভিভাৱিকাৰ সহযোগক কৃতজ্ঞতা জনায় উদ্যোক্তাসকলে। অনুষ্ঠানটো সফল কৰি তোলাত ডিব্ৰুগড় সাহিত্য সভাৰ সমূহ বিষয়ববীয়া আৰু সদস্য; বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বিশেষকৈ ক্লাবৰ সহকাৰী সম্পাদক হোমেন ফুকন, হিৰণ্য বড়া, সন্তোষ যাদৱ, কৰুণা ফুকন, ইফতিকাৰ হুছেইন, সুজয় ভৌমিক, ৰাহুল মণ্ডল, মৃদুল হাজৰিকা আৰু গৌৰৱ ফুকনে পূৰ্ণ সহযোগিতা আগবঢ়ায়।